**North East water talk** আৰু **North EastAffected Area Development Society** ৰ সহযোগত আয়োজিত প্ৰবন্ধ প্ৰতিযোগিতা।

দিচাং নদী: প্ৰদূষণ, সংৰক্ষণ আৰু তোমাৰ অভিজ্ঞতা

আৰম্ভণি:- প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ অসমৰ বুকুত নদী, উপনৈ, জান, জুৰি, লুইতৰ পৰা বৰাকলৈ, দিখৌৰ পৰা সোৱণশিৰিলৈ এই নদ নদী বোৰ অসমৰ মানুহৰ সভ্যতা-সংস্কৃতিৰ বাবে বৰ মূল্যবান | অসমৰ সৰু-বৰ বহুত নৈত পানীৰদ্বাৰা ভালে মান জলসিঞ্চন আৰু খোৱা পানী যোগান আঁচনি কাৰ্য্যকৰি কৰা হৈছে | পৰিতাপৰ কথা যে বৰ্ত্তমানেও বহুত নদ-নদী অতি অৱহেলিত অৱস্থাত আছে | বৰ্ত্তমান নদীৰ কাম যেন সমস্ত আৱৰ্জনা কাঢ়িওৱাটোহে | ঘৰ-বাৰী সঁজা, বাট-পদূলি বন্ধাৰ ওপৰিও খেতিৰ বাবে ব্যৱহাৰ কৰি বহুত সৰুসুৰা নৈ-বিল নিচিহ্ন কৰাত প্ৰাকৃতিক ভাৰসাম্য হেৰাই গৈছে ফলত পৰিবেশৰ ওপৰত হেঁচা পৰিছে || অসমত সকলো প্ৰকাৰৰ নৈ পোৱা যায় | নদীসমূহৰ কাৰিকৰী তথা বিজ্ঞানভিত্তিক গৱেষণাৰ বাবে অসমখন সৰ্বোত্কৃষ্ট প্ৰাকৃতিক কৰ্মশালা | মীন পালন, নৌ পৰিবহন, প্ৰমোদ ভ্ৰমন আদি কাৰ্যত অসমৰ নদ নদী সমুহক ব্যৱহাৰ কৰাৰ থল আছে | অসমৰ নদ-নদীসমূহৰ সুসংগত অধ্যয়ন আৰম্ভ হ'লে নদী সমন্ধে লাগতিয়াল আৰু গুৰুত্বপূৰ্ণ নতুন সূত্ৰ আৱিষ্কাৰ হোৱাৰ সম্ভাৱনা নথকা নহয় | সেয়েহে নৈসমূহৰ গুৰুত্ব উপলব্ধি কৰি ইইঁতক আদৰ কৰাটো সকলোৰে বাবে বাঞ্চনীয় হৈ পৰিছে|
দিচাং নৈ থন অৰুণাচলৰ টিৰাপ জিলাৰ দক্ষিণ অংশৰ পাটকাই পৰ্বতৰ ২৬০০ মিটাৰ ওখ বুম শৃংগৰ পৰা ওলাইছে | তাৰ পাচত অৰুণাচল আৰু অসমৰ সীমাৰ কাষেৰে বৈ আহি দিল্লি নৈ নাম লৈ নামৰূপৰ দিল্লিঘাট হৈ নামৰূপ ষ্টেচনৰ পৰা ১ কি:মি: দক্ষিণে বৈ গৈ সাপেখাতী সংৰক্ষিত বনাঞ্চল সীমাইদি বৈ লংপতিয়া হৈ টিমক নৈৰ লগ হয় | ইয়াৰ পৰা ৩০ কি:মি: পশ্চিম-দক্ষিণ দিশত বৈ গৈ টাওকাক নৈৰ লগ হয় | তাৰ পাচত ১২ কি:মি: আহি চফ্ৰাই নৈৰ সৈতে লগ লাগি ৫ কি:মি: ভটিয়াই নঙলামৰা হৈ ৰজাবাৰীত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হৈ ৫ কি:মি: আহি আথৈফুটীয়াৰ বিপৰীত পাৰে বৰ পালেঙী জানৰ লগ হয় | তাৰ পাচত ডিমৌ নৈ লগ হৈ ৫ কি:মি: ভটিয়াই আহি দিচাংমুখত ব্ৰহ্মপুত্ৰত পৰিছে | দিচাং নৈ দীঘ ২৩০ কি:মি: আৰু অৱবাহিকাৰ কালি ৩৯৫০ বৰ্গ কি:মি: ,আজিৰ ৰচনাখনত মূলতঃ দিচাং নদীৰ প্ৰদূষণ, সংৰক্ষণ আৰু আমাৰ অভিজ্ঞতা সম্পৰ্কে থোৰোতে বিশ্লেষণ আগবঢ়োৱা হ'ব ।

বৰ্ণনা:- সাম্প্ৰতিক সময়ত অসমৰ জনসংখ্যাৰ বিস্ফোৰণৰ ফলত প্ৰাকৃতিক সম্পদ সমূহ এপদ এপদকৈ ধ্বংস গৰাহলৈ গতি কৰি আছে । উল্লেখনীয় যে অসম এখন নদী প্ৰধান ৰাজ্য , কিন্তু বৰ্তমান সময়ত ব্ৰহ্মপুত্ৰকে ধৰি ইয়াৰ সৰু বৰ উপনৈ সমূহৰ অবস্থা অত্যন্ত শোচনীয় । আমাৰ সকলোৰে জ্ঞাত যে এই নদী সমূহ প্ৰকৃতিৰ দান আৰু বিজ্ঞান কেতিয়াও প্ৰকৃতিৰ উৰ্ধত হ'ব নোৱাৰে , কিন্তু বৰ্তমান সময়ত জনসাধাৰণৰ সুবিধাৰ্থে প্ৰকৃতিৰ ওপৰত অবাধে কৰি অহা অন্যায়ৰ ফল এদিন সমগ্ৰ মানব জাতিয়ে ভুগিব লাগিব ।
ব্ৰহ্মপুত্ৰ নদীৰ মূল উপনৈ দিচাং নৈখন অসমৰ কেইবাটাও অঞ্চলৰ জন জীৱনৰ বাবে আশীৰ্বাদ স্বৰূপ , কিন্তু বৰ্তমান সময়ত পৰিবেশত বৃদ্ধি পোৱা প্ৰদূষণৰ মাত্ৰাই নদীখনলৈ কঢ়িয়াই আনিছে এক গভীৰ সমস্যা । বৰ্তমান সময়ত অত্যাধিক ব্যবহৃত প্লাষ্টিক জাতীয় সামগ্ৰীৰ আৰ্বজনা , পশুধনৰ মৃতদেহ, নগৰ সমূহত প্ৰতিদিনে উৎপন্ন হোৱা অলাগতীয়াল বস্তু সমূহ নলা নৰ্মদাৰে উটি আহি নৈত পৰাৰ লগে লগে নদী প্ৰদূষণ হয় । নদী প্ৰদূষণৰ লগে লগে পানীৰ ওপৰত নিৰ্ভৰ কৰি জলজ প্ৰাণী সমূহে ও বৃহৎ প্ৰত্যাহ্বানৰ সম্মুখীন হয় । ইয়াৰ উপৰিও যতে ততে নিৰ্মাণ কৰা কাৰখানা বা অন্যান্য উদ্যোগেও দিচাং নৈখনলৈ এক গভীৰ সমস্যা কঢ়িয়াই আনিছে । এনে এক পৰিপ্ৰেক্ষিতত নৈখনৰ সংৰক্ষণ অতি প্ৰাসংগিক বিষয় হৈ পৰিছে । জনসাধাৰণৰ লগতে চৰকাৰৰো এইক্ষেত্ৰত যথেষ্ট কৰণীয় আছে ।

অসমৰ চৰকাৰৰ পৰিবেশ আৰু বন বিভাগে পানীৰ মানদণ্ডৰ মণিটৰিং ব্যবস্থাৰ জৰিয়তে নৈখন প্ৰদূষণৰ মাত্ৰা সম্পৰ্কে জনসাধাৰণক জ্ঞাত কৰাই ইয়াৰ ক্ষয় ক্ষতিৰ প্ৰভাব সম্পৰ্কে জনসাধাৰণক সজাগ কৰিব লাগে,অবশ্যে অসম চৰকাৰে MINARS কাৰ্য্যসূচীৰ জৰিয়তে দিচাং নৈখনৰ বাবে গুদামঘাট আৰু চেপাখাটিত মণিটৰিঙৰ ব্যৱস্থা কৰিছে ,ইয়াৰ উপৰিও যতে ততে উদ্যোগ স্থাপনৰ অনুমতি প্ৰদান নকৰি নদী অববাহিকা এলেকাৰ ক্ষতি নোহোৱা ঠাইত উদ্যোগ স্থাপনৰ ব্যবস্থা কৰিব লাগিব । সময়ে সময়ে নৈখন চাফ চিকুণ কৰাৰ উপৰিও ওখ ওখ মথাউৰি বান্ধি নদীৰ মূল গতি পথৰ যাতে দিশ সলনি নহয় ,তাৰ প্ৰতি লক্ষ্য ৰখাটো অত্যন্ত জৰুৰী ।
ইয়াৰ উপৰিও স্থানীয় জনসাধাৰণৰ এইক্ষেত্ৰত বহুখিনি কৰণীয় আছে ,প্ৰকৃততে নৈ খনক জীয়াই ৰখাটো প্ৰত্যেক গৰাকী জনসাধাৰণে নিজৰ নৈতিক দায়িত্ব বুলি ভাবিব লাগিব । মৃত পশুধন নাইবা অন্যান্য আৰ্বজনাসমূহ নৈখনত পেলোৱাৰ পৰিবৰ্তে তাৰ বিকল্প ব্যৱস্থাৰ চিন্তা কৰিব লাগিব ।
দিচাং নৈ খনে চুই যোৱা নগৰ সমূহৰ নলা নৰ্মদাৰে উটি অহা পানী সমূহ ঠায়ে ঠায়ে প্ৰতিশোধনৰ ব্যবস্থা কৰিব লাগিব । এনেধৰণৰ কাৰ্যকলাপৰ দ্বাৰা কিছুপৰিমানে হ'লেও নৈখনৰ প্ৰদূষণ ৰোধ কৰিব যাব বুলি আমাৰ মনে ধৰে ।

ঠিক একেদৰে সংৰক্ষণৰ ক্ষেত্ৰত চৰকাৰৰ যথেষ্ট কৰণীয় থাকিব , যিহেতু নদী সংৰক্ষণ ইমানো সহজ কথা নহয় । ৰাষ্ট্ৰীয় নদী সংৰক্ষণ বিভাগে নদী সংৰক্ষণৰ যথেষ্ট কাম কৰি আহিছে , বিভিন্ন আঁচনিৰ জৰিয়তে নদী সমূহৰ সংৰক্ষণৰ ব্যৱস্থা কৰাও পৰিলক্ষিত হৈছে । দিচাং নদী সংৰক্ষণ কৰিবলৈ হ'লেও ৰাষ্ট্ৰীয় নদী সংৰক্ষণ বিভাগৰ আঁচনি সমূহ চৰকাৰে কাৰ্যকৰী কৰিব লাগিব । এই আঁচনি সমূহ হ'ল-

১. নদীলৈ বৈ অহা নলা নৰ্মদাৰ প্ৰদূষিত পানী পৰিশোধনৰ কৰা আঁচনি

২.নদীৰ বুকু আৰু পাৰত জমা হোৱা আৰ্বজনা নিষ্কাষণৰ আঁচনি

৩.নদীৰ বুকু খান্দি নদীৰ প্ৰবাহী ক্ষমতা বৃদ্ধিৰ আঁচনি

৪. নদীৰ দুয়োপাৰে গছ-গছনি ৰোপন কৰি সৌন্দৰ্য বৰ্ধনৰ লগতে আমোদ প্ৰমোদৰ ব্যৱস্থাবলীৰ আঁচনি

৫.সমূহীয়া অনাময়ৰ আঁচনি

৬.জন সচেতনতা বৃদ্ধিৰ আঁচনি ।

ইয়াৰোপৰি নৈখনৰ যিবোৰ ঠাইৰ তলি বাম হৈ গৈছে সেই ঠাইসমূহ নতুনকৈ খান্দি নদীখনৰ পানী ধাৰণ ক্ষমতা বৃদ্ধিৰ আঁচনি গ্ৰহণ কৰিব লাগিব ।

নৈখনক আগৰ দৰে জীয়াই ৰাখিবলৈ হ'লে দুয়োপাৰে বৃক্ষৰোপণ কৰি পদ পথ নিৰ্মাণ কৰাৰ আঁচনি গ্ৰহণ কৰিব লাগিব। যাতে মানুহে সময়ে সময়ে নৈখনৰ সৌন্দৰ্য উপভোগ কৰাৰ উপৰিও ভৱিষ্যতে সেই ঠাইসমূহ পৰ্যটন স্থলীলৈও ৰূপান্তৰিত কৰাৰ ব্যৱস্থা কৰিব লাগিব।

এই আঁচনি সমূহৰ সফল কাৰ্য্যকৰীকৰণৰ দ্বাৰাহে নিঃসন্দেহে দিচাং নৈখনকো সংৰক্ষণ কৰিব পৰা যাব ।

সামৰণি: আমি সকলোৱে জানো অথবা জনা উচিত যে যিকোনো ধৰণৰ প্ৰাকৃতিক অথবা সামাজিক সমস্যা সমাধানৰ বাবে জনসচেতনতা অত্যন্ত গুৰুত্বপূৰ্ণ বিষয় । একমাত্ৰ জনসচেতনাৰ জৰিয়তেহে কিছুমান সমস্যাৰ সমাধানৰ আৰম্ভণি কৰিব পাৰি ,ঠিক একেদৰেই প্ৰদূষণ অথবা নদী সংৰক্ষণৰ নিচিনা সমস্যাবোৰৰ বাবেও জনসচেতনতাই মূল চালিকাশক্তি কাম কৰিব পাৰে । সদৌ শেষত ক'ব লাগিব যে অসমৰ আশীৰ্বাদ স্বৰূপ দিচাং নৈখন চৰকাৰ আৰু জনসাধাৰণৰ উমৈহতীয়া প্ৰচেষ্টাতহে ইয়াৰ প্ৰদূষণ ৰোধ তথা সংৰক্ষণ কৰিব পৰা যাব ,ইয়াৰ বাবে লাগিব সুস্থ আন্তঃগাথঁনি তথা সুস্থ জনসচেতনা লগতে জনসাধাৰণৰ নৈতিক দায়িত্ব স্বীকাৰ । অন্যথা ভৱিষ্যতে এনে এটা দিনতে দিচাং নৈখন অসমৰ মানচিত্ৰৰ পৰাই হেৰাই যাব ।

ধ্ৰুৱজ্যোতি ডেকা
ভট্টদেৱ বিশ্ববিদ্যালয়,বজালী
পঞ্চম ষান্মাষিক
ফোন নং:-৯৩৬৫৬৪৯২৩৫